**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-02-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সামৰণিৰ অন্তত অহা ২-৩ মাহলৈ ৰাজ্যলৈ নতুন নতুন বিনিয়োগৰ প্ৰস্তাৱ আহিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেল পথাৰত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সৈতে সংগতি ৰাখি আয়োজিত প্ৰদৰ্শনীৰ বীথিকাসমূহ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এইদৰে প্ৰকাশ কৰে। প্ৰদৰ্শনীখনৰ 'অসম-অতীত, বৰ্তমান আৰু ভৱিষ্যত' শীৰ্ষক পেভেলিয়নত অংশগ্ৰহণ কৰা বীথিকা সমূহ পৰিদৰ্শন কৰি তেওঁ কয়, যে ৰাজ্যখনত ষ্টাৰ্টআপ খণ্ডত শেহতীয়াকৈ বহু উল্লেখনীয় কাম সম্পন্ন হৈছে। উল্লেখযোগ্য যে এই প্ৰদৰ্শনী কাইলৈ সন্ধিয়া ৬ বজালৈকে দৰ্শকৰ বাবে মুকলি থাকিব।

০০০০০০০

ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত নৱম শ্ৰেণীৰ পৰাই কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰিছে। উত্তৰ লখিমপুৰত কালি এখন সংবাদমেল সম্বোধন কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে টাটাৰ সৈতে লগ লাগি ৰাজ্য চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত নতুনত্বৰ সূচনা কৰিব বিচাৰিছে। ইয়াৰ অংশ স্বৰূপে নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীত নতুনকৈ ১১ টা ঐচ্ছিক বিষয় অন্তৰ্ভুক্ত কৰিবলৈ শিক্ষা বিভাগে প্ৰস্তুতি সম্পন্ন কৰিছে। কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক এডভান্সড মাৰ্কেটিং, ছেমি কণ্ডাক্টৰ, মেচিন লাৰ্নিং আদিক ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব। ইয়াৰ বাবে অসম চৰকাৰে ৪০০ কোটি টকা খৰচ কৰিব। তেওঁ কয়, যে ৰাজ্যৰ কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানসমূহত উন্নত মানৰ শিক্ষা প্ৰদান কৰা হ'ব। ৪৩ খন আই টি আইৰ শিক্ষাৰ্থীয়ে লাভ কৰা প্ৰমাণপত্ৰখন দশম শ্ৰেণী উত্তীৰ্ণ সম পৰ্যায়ৰ হ'ব বুলি তেওঁ উল্লেখ কৰে। তেনে শিক্ষাৰ্থীয়ে সেই প্ৰমাণপত্ৰৰে একাদশ শ্ৰেণীত নামভৰ্তি কৰিব পাৰিব। আনহাতে, পলিটেকনিকত উত্তীৰ্ণ শিক্ষাৰ্থীসকলক দ্বাদশ শ্ৰেণী উত্তীৰ্ণৰ মৰ্যাদা দিয়া হ'ব। তেওঁলোকে স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰিব। অনাগত সময়ত ৰাজ্যৰ ১১ টা বিভাগত কাৰিকৰী শিক্ষা প্ৰদানৰ বিষয়েও চৰকাৰে চিন্তা কৰিছে বুলি তেওঁ কয়। উদ্যমিতাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ স্ব-নিয়োজন আঁচনিয়ে শিক্ষাৰ্থীসকলক উপকৃত কৰিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হৈছে। বিশিষ্ট পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনৰ দ্বাৰা ৰমন প্ৰভাৱ বা ৰমন বিক্ষেপনৰ আৱিষ্কাৰৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। চি ভি ৰমনে এই আৱিষ্কাৰৰ বাবে ১৯৩০ চনত ন'বেল বঁটা লাভ কৰিছিল। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ২০২৪ আৰু ২০২৫ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটাৰ বাবে বাছনিপ্ৰাপ্ত বিজ্ঞানী, যুৱ বিজ্ঞানী, উদ্ভাৱক আৰু প্ৰতিষ্ঠানসমূহলৈ অভিনন্দন জনাইছে। উল্লেখযোগ্য যে, ২০২৪ আৰু ২০২৫ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটা প্ৰাপকসকলৰ নাম কালি ঘোষণা কৰা হয়। আই আই টি গুৱাহাটীৰ প্ৰাক্তন সঞ্চালক প্ৰফেচাৰ ড০ গৌতম বৰুৱালৈ ২০২৪ চনৰ ৰাজ্যিক বিজ্ঞান বঁটা শিতানত

বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত জীৱনজোৰা কৃতিত্বৰ বাবে বঁটা আগবঢ়োৱা হৈছে। আই আই টি গুৱাহাটীৰ ইলেকট্ৰনিকছ্ আৰু বৈদ্যুতিক অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক ড০ তন্ময় দত্তলৈ যুৱ বিজ্ঞানী বঁটা আগবঢ়োৱা হৈছে। একেদৰে ২০২৫ বৰ্ষৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ দিলীপ কুমাৰ চৌধুৰীলৈ বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত জীৱনজোৰা কৃতিত্বৰ বাবে বঁটা আগবঢ়োৱা হৈছে। জ্যোতিৰ্বিজ্ঞান আৰু জ্যোতি পদাৰ্থ বিজ্ঞানৰ বাবে আন্তঃবিশ্ববিদ্যালয় কেন্দ্ৰ পুণেৰ গৱেষক ড০ অংশুমান বৰগোঁহায়ে যুৱ বিজ্ঞানী বঁটা লাভ কৰিছে। লখিমপুৰৰ অসম বিজ্ঞান লেখক সংস্থাক বৈজ্ঞানিক গৱেষণাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বঁটাৰ বাছনি কৰা হৈছে।

০০০০০০০

কাজিৰঙাত কালিৰে পৰা আন্তঃৰাষ্ট্ৰীয় হস্তী স্বাস্থ্য চিকিৎসা প্ৰশিক্ষণ তথা দেশৰ প্ৰথম হস্তী চিকিৎসা শিবিৰ আৰম্ভ হৈছে। কাজিৰঙাৰ কঁহৰাত অৱস্থিত বন বিভাগৰ মহীচন্দ্ৰ মিৰি প্ৰেক্ষাগৃহত কালি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষে বন্তি প্ৰজ্বলন কৰি এই হাতীৰ আন্তঃৰাষ্ট্ৰীয় চিকিৎসা প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰে। বেচৰকাৰী সংস্থা ৱাইল্ড লাইফ এছ্ অ' এছ্‌ৰ উসদ্যোগত আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ সহযোগত আয়োজিত এই অনুষ্ঠানত ২৫গৰাকী পশু চিকিৎসকক প্ৰশিক্ষণ দিয়া হয়।

০০০০০০০০

যোৰহাট থিয়েটাৰৰ ১৩০ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। এই বছৰৰ প্ৰতিষ্ঠা দিৱসত ১৯২৯ চনত যোৰহাট থিয়েটাৰৰ সদস্যপদ গ্ৰহণ কৰা বিশিষ্ট নাট্যকাৰ চন্দ্ৰ গগৈক স্মৰণ কৰা হ'ব। পাপৰি কবি গণেশ চন্দ্ৰ গগৈয়ে ১৯৩৪ চনত শকুনিৰ প্ৰতিশোধ নাটকখন ৰচনা কৰিছিল। এই নাটকখনত অভিনয় কৰা গণেশ চন্দ্ৰ গগৈ, নবীন বৰুৱা, ৰাজকুমাৰ নগেন্দ্ৰ নাৰায়ণ সিংহ, কৰুণাধৰ বৰুৱা, দৰ্পনাথ শৰ্মা, মতিলাল দাস, ডাঃ কালীপ্ৰসাদ বৰুৱা আৰু বিপিন বৰুৱাৰ স্মৃতিত আৰু বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক কেশৱ চন্দ্ৰ গোলস্বামীৰ পৱিত্ৰ সোঁৱৰণত এইবাৰ যোৰহাট থিয়েটাৰে শকুনিৰ প্ৰতিশোধ নাটকখন পৰিবেশন কৰিব। আজি পুৱা ৯ বজাত পতাকা উত্তোলন, স্মৃতি তৰ্পন, ন-পুৰণি শিল্পী সদস্য, পৃষ্ঠপোষকৰ অন্তৰংগ আলাপৰ লগতে দুটাকৈ দৰ্শনীৰে শকুনিৰ প্ৰতিশোধ নাটকখন মঞ্চস্থ কৰা হ'ব।

০০০০০০০০

আফগানিস্তান আজি লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত হ'বলগীয়া আই চি চি চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

ইপিনে, পাকিস্তান আৰু বাংলাদেশৰ মাজৰ কালিৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়।

০০০০০০০

সমাপ্ত